**2018**

**ASSAMESE**

**ASM : 3.03 (A)**

# INTRODUCTION TO WORLD LITERATURE IN ENGLISH TRANSLATION

Full Marks : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

1. উত্তৰ লিখা ঃ 1x10=10

ক) 'Canon' শব্দটোৰ ব্যুপত্তিগত অৰ্থ কি?

খ) 'The Flowers of Evil' শীৰ্ষক কবিতা পুথিখনৰ প্ৰণেতাজনৰ নাম লিখা।

গ) যাদুকৰী বাস্তৱবাদৰ এজন প্ৰবক্তাৰ নাম লিখা।

ঘ) হেনৰিক ইবচেনৰ দ্বাৰা ৰচিত প্ৰথম নাটকখনৰ নাম লিখা।

ঙ) 'Lyrical Ballads' ৰ প্ৰথম প্ৰকাশ কোন চনত হৈছিল?

চ) ডি এইচ লৰেন্সৰ দ্বাৰা ৰচিত যিকোনো এখন উপন্যাসৰ নাম লিখা।

ছ) 'The Plague' শীৰ্ষক উপন্যাসখনৰ ৰচয়িতা কোন?

জ) 'Tintern Abbey' কবিতাটোত বৰ্ণিত নদীখনৰ নাম উল্লেখ কৰা।

ঝ) হেমিংৱেই কোন চনত সাহিত্যৰ নোবেল বঁটা লাভ কৰিছিল?

ঞ) 'The Western Canon' শীৰ্ষক গ্ৰন্থখনৰ প্ৰণেতা কোন?

**2.** চমুকৈ উত্তৰ লিখা ঃ— 2x5=10

ক) বিশ্ব সাহিত্যৰ বিৱৰ্তনত প্ৰভাৱ বিস্তাৰ কৰা দুটা কাৰক উল্লেখ কৰা।

খ) ব'দলেৰৰ কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

গ) অমৃতা প্ৰীতমৰ গল্পৰ দুটা প্ৰধান বিষয়বস্তু উল্লেখ কৰা।

ঘ) ৰূপক বুলিলে কি বুজা? উদাহৰণ দাঙি ধৰা।

ঙ) এৰচাৰ্ড নাটকৰ যিকোনো দুটা বিশেষত্ব উল্লেখ কৰা।

3. **চমুটোকা লিখা (যিকোনো দুটা) ঃ-** 5x2=10

ক) ধ্ৰুপদী সাহিত্য

খ) অংগুৰী

গ) আধুনিকতাবাদী কবিতাত প্ৰকাশিত নগৰ চেতনা

ঘ) বাস্তৱবাদী সাহিত্য

4. সাহিত্যৰ তালিকা বুলিলে কি বুজা? সাহিত্যৰ তালিকাকৰণক সম্পূৰ্ণ বস্তুনিষ্ঠ আৰু বিশ্বাসযোগ্য বুলি ক'ব পাৰিনে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দৰ্শোৱা। 2+5=7

*নাইবা*

'বিশ্বায়ন আৰু সাহিত্য' শীৰ্ষক এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰা। 7

5. পাঠ্য গল্পৰ আধাৰত মৌঁপাছাৰ গল্পত মধ্যবিত্ত মানুহৰ জীৱন দশা কিৰূপত প্ৰতিফলিত হৈছে এক চমু খতিয়ান দাঙি ধৰা। 7

*নাইবা*

পাঠ্য কবিতাৰ আলমত শ্বেলীৰ কবিতাত প্ৰকাশ পোৱা বিপ্লৱী আৰু বাস্তৱ চেতনা সম্পৰ্কত এটি আলোচনা প্ৰস্তুত কৰা। 7

**তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ—**

6. ইবচেনৰ 'An Enemy of the people' নাটখনৰ বিষয়বস্তুৰ চমু অৱলোকন সহ নাটখনৰ শিৰোনামটোৰ তাৎপৰ্য বিচাৰ কৰা। 8+4=12

7. অৱস্থিতিবাদৰ চমু ধাৰণাসহ হেমিংৱেৰ 'The Oldman and the Sea' উপন্যাসখনত অৱস্থিতিবাদী আদৰ্শৰ প্ৰতিফলন কিদৰে ঘটিছে নিৰূপন কৰা। 12



8. পাঠ্য কবিতাৰ আলমত টি এছ এলিয়টৰ কবিতাত প্ৰকাশিত আধুনিকতাবাদী কবিতাৰ বৈশিষ্ট্যসমূহৰ এক চমু বিৱৰণ দাঙি ধৰা। 12

9. পাঠ্য গল্পৰ আলমত বৰ্হেচৰ গল্পৰ বিষয়বস্তু আৰু আংগিক সম্পৰ্কত এটি নিবন্ধ প্ৰস্তুত কৰা। 12

10. আয়নেচক'ৰ 'The Chairs' নাটখনত ব্যক্তিৰ অস্তিত্বৰ সংকোচনৰ নিৰ্মোহ চিত্ৰ কিৰূপত উন্মোচিত হৈছে যুক্তিসহকাৰে ব্যাখ্যা কৰা। 12

*****